# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 06-06-2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জম্মু আৰু কাশ্মীৰৰ চেনাব নদীৰ ওপৰত নিৰ্মাণ কৰা পৃথিৱীৰ সৰ্বোচ্চ ধনুভেৰীয়া দলংখন আনুষ্ঠানিকভাৱে উদ্বোধন।
২। ৰাজ্যৰ সাম্প্ৰতিক বান পৰিস্থিতি সামান্য উন্নত। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ হাইলাকান্দি আৰু শ্ৰীভূমি জিলাৰ বান পৰিস্থিতিৰ পৰ্যালোচনা।
৩। এন ডি এ চৰকাৰে বিগত এঘাৰ বছৰত গ্ৰহণ কৰা পদক্ষেপক লৈ আজি আকাশবাণীৰ বাতৰি বিভাগৰ প্ৰতিবেদনত পৰিবেশ সংৰক্ষণ আৰু উন্নয়ন সন্দৰ্ভত আলোকপাত।
৪। সমগ্ৰ বিশ্বজুৰি কাইলৈ ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ পবিত্ৰ ঈদ-উল আজহা পালন। ***আৰু***
৫। ভাৰতীয় ক্ৰিকেট দল আজি পাঁচখনীয়া টেষ্ট শৃংখলাত অংশ লোৱাৰ বাবে ইংলেণ্ডলৈ ৰাওনা।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি জম্মু আৰু কাশ্মীৰৰ চেনাব নদীৰ ওপৰত নিৰ্মাণ কৰা পৃথিৱীৰ সৰ্বোচ্চ ধনুভেৰীয়া দলংখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। প্ৰধানমন্ত্ৰীয়ে আজি কাট্ৰাত আঞ্জি খাদ দলঙো উদ্বোধন কৰে। কাশ্মীৰ উপত্যকাক দেশৰ বাকী অংশৰ সৈতে ৰে'ল সংযোগ ঘটোৱাৰ বাবে আৰম্ভ কৰা ৪২ বছৰ পুৰণি প্ৰকল্পটোৰ অন্তিম পৰ্যায়ত চেনাব দলংখন উদ্বোধন কৰাৰ লগে লগে এই অভিলাষী প্ৰকল্প সম্পূৰ্ণ হ'ল। ইয়াৰ ফলত এহেজাৰ ৪৪৮ কোটি টকা ব্যয় সাপেক্ষ ২৭২ কিলোমিটাৰ দৈৰ্ঘ্যৰ উধমপুৰ-শ্ৰীনগৰ-বাৰামুল্লা ৰে'ল পথৰ নিৰ্মাণৰ কামো সম্পূৰ্ণ হৈছে। হিমালয়ৰ অসমতল পাৰ্বত্য অঞ্চলৰ মাজেৰে নিৰ্মাণ কৰা এই ৰে'লপথছোৱাত থকা ৩৬টা সুৰংগ আৰু ৯৪৩ খন দলং বিশ্বৰ অন্যতম আভিযান্ত্ৰিক উৎকৃষ্টতাৰ নিদৰ্শন ৰূপে চিহ্নিত হৈছে। প্ৰধানমন্ত্ৰীয়ে আজি জম্মু আৰু শ্ৰীনগৰৰ মাজত নতুন অত্যাধুনিক বন্দে ভাৰত এক্সপ্ৰেছ সেৱাও মুকলি কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে এই উপলক্ষে দিয়া ভাষণত পেৰিচৰ আইফেল টাৱাৰতকৈও ওখ এই দৰংখনক ভাৰতৰ আভিযান্ত্ৰিক পাৰদৰ্শিতাৰ উৎকৃষ্ট নিদৰ্শন বুলি অভিহিত কৰে আৰু ইয়াৰ ফলত কাশ্মীৰত উৎপাদিত সুস্বাদু আপেল আৰু আন ফলমূলসমূহে দেশৰ বাকী অংশত উপযুক্ত বজাৰ পাবলৈ সমৰ্থ হ'ব বুলি আশা প্ৰকাশ কৰে।

অনুষ্ঠানত জম্মু আৰু কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিনহা, মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লা, ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱ, প্ৰধানমন্ত্ৰী কাৰ্যালয়ৰ ৰাজ্য মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত আছিল।

০০০০

ৰাজ্যৰ সাম্প্ৰতিক বান পৰিস্থিতি সামান্য উন্নত হৈছে যদিও ১৬ খন জিলাৰ ৫ লাখ ৬০ হাজাৰো অধিক লোক এতিয়াও বানৰ কবলত আছে। আজিৰ দিনটোত বানত কোনো লোকে প্ৰাণ হেৰুওৱা নাই বুলি আমাৰ সংবাদদাতাই প্ৰকাশ কৰিছে। এই বানত ৰাজ্যখনৰ এহেজাৰ ৪০০ ৰো অধিক গাঁও ক্ষতিগ্ৰস্ত হৈছে আৰু প্ৰায় এহেজাৰ ৯০০ হেক্টৰ কৃষিভূমিৰ ক্ষতি হৈছে। ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীয়ে আজি পুৱাৰে পৰা

শ্ৰীভূমি জিলাত উদ্ধাৰ অভিযান চলাই আছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীকৰণৰ তথ্য অনুসৰি এতিয়াও ৪১ হাজাৰতকৈ অধিক লোকে ১৭৫ টা আশ্ৰয় শিবিৰত আশ্ৰয় লৈ আছে। ৰাজ্যখনৰ বিভিন্ন অংশত পথ, ৰে'ল আৰু ফেৰী সেৱা ব্যাহত হৈ থকাৰ বাতৰি পোৱা গৈছে। ইপিনে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে ৰাজ্যখনৰ অধিকাংশ অঞ্চলত পাতলিয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলী বতৰা দিছে।

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি বৰাক উপত্যকা ভ্ৰমণ কৰি বান পৰিস্থিতিৰ বুজ লয়। তেওঁ হাইলাকান্দি জিলাৰ কালীনগৰ, পাঁচগ্ৰামকে ধৰি কেইবাটাও আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰি বানপীড়িত লোকসকলৰ সৈতে মত বিনিময় কৰে। মুখ্যমন্ত্ৰীয়ে লগতে তাৎক্ষণিকভাৱে সাহায্য বিতৰণত সহায় হোৱাকৈ বানত ক্ষতিগ্ৰস্ত লোকসকলক তেওঁলোকৰ বেংকৰ সবিশেষ আৰু আন প্ৰয়োজনীয় তথ্যসমূহ প্ৰেৰণ কৰিবলৈ আহ্বান জনায়। ডঃ শৰ্মাই এই সময়ছোৱাত হ'ব পৰা বিভিন্ন স্বাস্থ্য সম্পৰ্কীয় সমস্যাৰ আগতীয়া সাৱধানতা হিচাপে আশ্ৰয় শিবিৰত চিকিৎসা প্ৰদানকাৰী দলৰ ব্যৱস্থা কৰাৰ উপৰি অন্যান্য যাৱতীয় সুবিধাসমূহ প্ৰদান কৰাটো নিশ্চিত কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি শ্ৰীভূমি জিলাতো আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰি বন্যাৰ্তসকলৰ সমস্যাৰ বুজ লয়।

**ৰাইট**

ইপিনে ব্ৰহ্মপুত্ৰ আৰু কপিলী নৈৰ বাঢ়নি পানীয়ে পবিতৰা অভয়াৰণ্যৰ ৭০ শতাংশ বনাঞ্চলৰ বুৰাই পেলাইছে। অভয়াৰণ্যখনৰ টুপলুং হাঁহচৰা, পাগলাডুবা, হাদুক, শিলডুবিকে ধৰি কেইবাটাও বন শিবিৰ বানৰ কবলত পৰিছে। বন বিভাগ আৰু অন্যান্য সংস্থাই বন্য প্ৰাণীসমূহৰ খাদ্যৰ অভাৱ নহ'বৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰাৰ উপৰি চোৰাং চিকাৰীয়ে যাতে এই সময়ত সুযোগ লব নোৱাৰে তাৰ বাবেও চোকা দৃষ্টি ৰাখিছে। অভয়াৰণ্যখনত বানৰ পৰিপ্ৰেক্ষিতত বন বিভাগে গ্ৰহণ কৰা ব্যৱস্থা সন্দৰ্ভত বন বিষয়া প্ৰাঞ্জল বৰুৱাই এইদৰে কয় ঃ

**ৰাইট**

০০০০

কেন্দ্ৰত শাসনাধিস্থিতিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন এন ডি এ চৰকাৰে ১১ বছৰ সম্পূৰ্ণ কৰাৰ দিশে অগ্ৰসৰ হৈছে। সেৱা, সুশাসন আৰু গৰীব কল্যাণৰ লক্ষ্যৰে অনুপ্ৰাণিত হৈ ভাৰতে বিগত দশকত উল্লেখনীয় ৰূপান্তৰ সাধন কৰিছে। আকাশবাণীৰ বাতৰি বিভাগৰ দ্বাৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে যোৱা ১১ টা বছৰত গ্ৰহণ কৰা পদক্ষেপ সন্দৰ্ভত আলোকপাত কৰিবলৈ প্ৰয়াস কৰা হৈছে। আজি পৰিবেশ সংৰক্ষণ আৰু উন্নয়ন সন্দৰ্ভত এয়া আমাৰ বিশেষ প্ৰতিবেদন ঃ

বাইট

০০০০

ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ পবিত্ৰ ঈদ-উল আজহা কাইলৈ পালন কৰা হ'ব। এই উপলক্ষে ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ মাজত উৎসাহ উদ্দীপনা পৰিলক্ষিত হৈছে। কাইলৈ ঈদৰ নামাজৰ বাবে ঈদগাহসমূহ ছাফ চিকুণ কৰি সজাই পৰাই তোলা হৈছে। সমাজত ভাতৃত্ববোধ আৰু বিশ্ব শান্তিৰ বাবে কাইলৈ পুৱা ঈদৰ নামাজ পঢ়া হ'ব। দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ২০০ ৰো অধিক ঈদগাহত প্ৰায় ৪ লাখ লোকে ঈদৰ সমূহীয়া নামাজ পঢ়িব। ঈদৰ সময়ত কোনো ঠাইতে যাতে অপ্ৰীতিকৰ পৰিবেশৰ সৃষ্টি নহয় তাৰ বাবে জিলা প্ৰশাসনে আজি ঈদ সমিতি আৰু আৰক্ষীৰ সৈতে এখন বৈঠকত মিলিত হয়। গুৱাহাটী মহানগৰীৰ বজাৰসমূহতো ঈদ উপলক্ষে উচাহ পৰিলক্ষিত হৈছে। বিভিন্ন ঠাইৰ পৰা আহি কৰ্মসংস্থাপনৰ বাবে মহানগৰীত

বসবাস কৰা বহুসংখ্যক লোকে ঈদ উপলক্ষে নিজ নিজ গৃহ চহৰলৈ যাত্ৰা কৰাৰ পৰিপ্ৰেক্ষিতত মহানগৰীৰ জালুকবাৰী, আদাবাৰী, আই এছ বি টিকে ধৰি বিভিন্ন স্থানত যথেষ্ট ভিৰ পৰিলক্ষিত হয়। ইয়াৰ ফলত আজি গুৱাহাটী মহানগৰীত জনসমাগমো যথেষ্ট কম হোৱা দেখা যায়।

০০০০

স্বাধীনতা সংগ্ৰামী তথা অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ আজি ১৩৫ সংখ্যক জন্মবাৰ্ষিকীত ৰাজ্যবাসীয়ে তেওঁক শ্ৰদ্ধাৰে সুঁৱৰিছে। অসমৰ সমাজ জীৱনৰ সামগ্ৰিক প্ৰগতিৰ বাবে গোপীনাথ বৰদলৈয়ে দেখুৱাই যোৱা আদৰ্শই চিৰদিন অসমবাসীক অনুপ্ৰাণিত কৰি আহিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ এটা বাৰ্তাত ভাৰতৰত্ন গোপীনাথ বৰদলৈদেৰৰ গভীৰ স্বদেশ প্ৰেম, অসাধাৰণ ব্যক্তিত্ব আৰু দূৰদৰ্শিতাই আমাৰ জাতিক সদায় সমৃদ্ধ কৰি ৰাখিছে বুলি মন্তব্য কৰে।

অসম নাৰী কল্যান মঞ্চৰ সহযোগত চৰকাৰী পেঞ্চনাৰ সন্থা গুৱাহাটী শাখাৰ সৌজন্যত আজি চানমাৰীৰ চৰকাৰী পেঞ্চনাৰ সন্থাৰ প্ৰেক্ষাগৃহত আজি গোপীনাথ বৰদলৈৰ জন্মবাৰ্ষিকী উপলক্ষে বিশেষ কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। অনুষ্ঠানত বিশিষ্ট লেখক ময়ুৰ বৰাই বৰ্তমানৰ প্ৰেক্ষাপটত গোপীনাথ বৰদলৈৰ প্ৰাসংগিকতাৰ কথা দোহাৰে।

০০০০

চিকিমৰ মাংগন জিলাৰ লাচেনত আৱদ্ধ হৈ থকা পৰ্যটকসকলৰ উদ্ধাৰ অভিযান আজি সম্পূৰ্ণ হৈছে। এই সমগ্ৰ অভিযান নিৰীক্ষণত থকা মাংগন জিলাৰ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকে এই কথা নিশ্চিত কৰিছে। বাগদোগৰা আৰু পাকয়ঙৰ পৰা বায়ু সেনাৰ হেলিকপ্তাৰে বাকী থকা পৰ্যটকসকলৰ উপৰি চাতেনত বাস কৰা কিছু লোকক উদ্ধাৰ কৰে।

আকাশবাণী গেংটকৰ সংবাদদাতাই জনোৱা মতে, বায়ু সেনা, স্থল সেনা, এন ডি আৰ এফ আৰু ৰাজ্য চৰকাৰৰ কেইবাটাও সংস্থাই যুটীয়াভাৱে এই উদ্ধাৰ অভিযান চলায়। উদ্ধাৰকাৰী দলসমূহে পৰ্যটকসকলক উদ্ধাৰ কৰাৰ সময়ত অতি প্ৰতিকূল বতৰৰ সন্মুখীন হ'বলগীয়া হয়। ভূমিস্খলনৰ ফলত লাচেন আৰু লাচুঙত প্ৰায় দুহেজাৰ লোক আবদ্ধ হৈ আছিল। লাচুঙত আবদ্ধ হোৱা এহেজাৰ ৬০০ পৰ্যটককো উদ্ধাৰ কৰা হৈছে। ইপিনে ছিকিমৰ পৰ্যটন বিভাগে পৰ্যটক সকলে লাচেন আৰু লাচুঙৰ বাহিৰে ৰাজ্যখনৰ আন আন অঞ্চলসমূহ ভ্ৰমণ কৰিব পাৰিব বুলি জানিবলৈ দিছে। ৰাজ্যখনৰ অতিৰিক্ত মুখ্য সচিব চি এছ ৰাৱে কয়, যে ছিকিমত ২০০ ৰো অধিক পৰ্যটনস্থলী আছে আৰু ভূমিস্খলন হোৱা অঞ্চলকেইটাৰ বাহিৰে অন্যান্য ঠাইসমূহ ভ্ৰমণ কৰাত কোনো ধৰণৰ নিষেধাজ্ঞা জাৰি কৰা হোৱা নাই।

০০০০

কামৰূপ জিলাৰ মীন উন্নয়ন বিভাগৰ উদ্যোগত আমিনগাঁৱত আজি একুৱা কালচাৰত সৌৰ শক্তিৰ ব্যৱহাৰ শীৰ্ষক দিনযোৱা কৰ্মশালা অনুষ্ঠিত হয়। জিলাখনৰ আগশাৰীৰ ৫০ গৰাকী মৎস পালকে অংশগ্ৰহণ কৰা এই কৰ্মশালাত সৌৰ শক্তিৰ জৰিয়তে কম খৰচত মৎস পালন আৰু সংৰক্ষণৰ বিষয়ত প্ৰশিক্ষণ দিয়া হয়। জিল মীন উন্নয়ন বিষয়া ড০ সঞ্চয় শৰ্মা কৰ্মশালাত মুখ্য প্ৰশিক্ষক হিচাপে উপস্থিত থাকে। কৰ্মশালাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই শীঘ্ৰে জিলাখনত সৌৰশক্তিৰ জৰিয়তে মীন পালন কৰি মৎস্য পালকসকল লাভৱান হব বুলি উল্লেখ কৰে।

০০০০

মৰিগাঁও আৰক্ষীয়ে যোৱা নিশা জিলাখনৰ লাহৰিঘাট আৰক্ষী থানাৰ অন্তৰ্গত বোৱালগুৰিত অভিযান চলাই পাঁচজনকৈ চাইবাৰ অপৰাধীক গ্ৰেপ্তাৰ কৰে। অপৰাধীকেইজন হ'ল আন্নাছ আলী, আছলাম আহমেদ,

আপ্তাৰুল ইছলাম, আবু আয়ুব আনছাৰী আৰু নুৰ উদ্দিন। এই চাইবাৰ অপৰাধকাৰী কেইজনে বহু ব্যক্তিৰ নামত ভুৱা পানকাৰ্ড, আধাৰকাৰ্ড আদি নথি-পত্ৰ প্ৰস্তুত কৰি প্ৰবঞ্চনাৰে ঋণ লোৱাৰ অভিযোগ উত্থাপিত হৈছে।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ কাইলৈ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত আকাশবাণীৰ বাতৰি কক্ষৰ বাহিৰতো এটা নিজস্ব পৰিচয় দাঙি ধৰিবলৈ সমৰ্থ হোৱা কেইগৰাকীমান বাতৰি পঢ়োতাৰ সৈতে অন্তৰংগ আলাপ প্ৰচাৰ কৰা হ'ব। আকাশবাণী বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ সৈতে এই অনুষ্ঠানত অন্তৰংগ আলাপত ভাগ ল'ব আকাশবাণী গুৱাহাটীৰ তিনিগৰাকী বাতৰি পৰিৱেশকে।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি কালি পিএমশ্ৰী দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাংগণত গছপুলি ৰোপণ আৰু পৰিৱেশ সজাগতা সম্পৰ্কীয় বিশেষ অনুষ্ঠান অনুষ্ঠিত কৰে। আকাশবাণী গুৱাহাটীৰ অনুষ্ঠান শাখাৰ মুৰব্বীৰ দায়িত্বত থকা কাৰ্তিক সূত্ৰধৰ, প্ৰচাৰণ কাৰ্যবাহী ইন্দ্ৰজিত দাস, লেখক, কেৰিয়াৰ পৰামৰ্শদাতা শৈলেন বৈশ্য আৰু অসম গৌৰৱ সন্মানেৰে বিভূষিত নেচাৰ্ছ বেকনৰ সঞ্চালক সৌম্যদীপ দত্তই বকুল, নাহৰ আৰু নিমগছৰ পুলি ৰোপণ কৰে। আকাশবাণী গুৱাহাটীৰ অনুষ্ঠান শাখাৰ মুৰব্বীৰ দায়িত্বত থকা কাৰ্তিক সূত্ৰধৰে যুৱ চামক ৰেডিঅ'ৰ অনুষ্ঠানসমূহ শুনাৰ লগতে এই অনুষ্ঠানসমূহত তেওঁলোকক ভাগ ল'বলৈ আহ্বান জনায়। অনুষ্ঠানত পৰিৱেশ সম্পৰ্কীয় কুইজ প্ৰতিযোগিতাত বিজয়ী প্ৰতিযোগীসকলক ৰেডিঅ' চেট, ট্ৰফী আৰু কিতাপৰ টোপোলাৰে পুৰস্কৃত কৰা হয়।

০০০০

বঙাইগাঁও জিলাতো আজি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে এহেজাৰ সাতগৰাকী অংগনবাড়ী কৰ্মীক স্মাৰ্ট ফোন প্ৰদান কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে কয়, যে মাতৃৰ পিছতে অংগনবাড়ী কৰ্মীসকল হৈছে শিশুসকলৰ পথ প্ৰদৰ্শক। অংগনবাড়ী কৰ্মীসকলে যাতে কামসমূহ সুচাৰুৰূপে কৰিব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি স্মাৰ্ট ফোন প্ৰদান কৰা হৈছে বুলি জিলাখনৰ আয়ুক্ত নৱদীপ পাঠকে অনুষ্ঠানত উল্লেখ কৰে।

০০০০

ভাৰতীয় ক্ৰিকেট দলটো আজি পাঁচখনিয়া টেষ্ট শৃংখলাত অংশ লোৱাৰ বাবে ইংলেণ্ডলৈ ৰাওনা হৈছে। ২০২৫-২৭ আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ অংশ হিচাপে আয়োজন কৰা এই টেষ্ট শৃংখলা ২০ জুনত আৰম্ভ হ'ব। ৰোহিত শৰ্মা আৰু বিৰাট কোহলীয়ে টেষ্ট ক্ৰিকেটৰ পৰা অৱসৰ ঘোষণা কৰাৰ পাছত এয়া হ'ব ভাৰতৰ প্ৰথমখন দ্বিপাক্ষিক টেষ্ট শৃংখলা। উল্লেখযোগ্য যে ২০০৭ চনৰ পৰা ভাৰতে ইংলেণ্ডৰ বিৰুদ্ধে এখনো টেষ্ট শৃংখলাত জয়লাভ কৰা নাই।

০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃঃঃঃঃ